# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 22-05-2026 **Time :** 1100 Hrs.

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি দ্বিতীয়দিনাৰ কাৰ্যক্ৰমণিকা আৰম্ভ হৈছে। ইয়াৰ পাছতে ৰাজ্যপালৰ ভাষণ সন্দৰ্ভত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰা হ'ব। ৰাজ্যপালৰ ভাষণ চলি থকাৰ সময়তে বিৰোধী কংগ্ৰেছ দলৰ সদস্যসকলে সদন ত্যাগ কৰে আৰু বাহিৰত মূল্যবৃদ্ধিৰ বিৰুদ্ধে হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে।

অধিৱেশনত অহা ২৫ মে'ত ৰাজ্যপালৰ ভাষণক লৈ বিতৰ্ক অনুষ্ঠিত হ'ব। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে'ত অন্ত পৰিব।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অন্যতম অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ শুনানি আজি গ্ৰহণ কৰা হ'ব। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠৰ নিৰ্দেশ অনুসৰি আৰক্ষীয়ে আজি শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত আদালতত কেচ ডায়েৰী দাখিলৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে যোৱা ১৫ মে'ত অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে কলকাতাৰ পৰা ভাৰ্চুৱেল মাধ্যমেৰে অধিবক্তা ৰাজদীপ বেনাৰ্জীয়ে যুক্তি দৰ্শাইছিল আৰু চৰকাৰী পক্ষৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই ওকালতি কৰিছিল। সেইদিনাই আদালতে চৰকাৰী পক্ষক আজিৰ দিনটোত গোচৰৰ কেচ ডায়েৰী দাখিল কৰিবলৈ নিৰ্দেশ দিছিল।

০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে ভাৰতত এতিয়ালৈকে কোনো লোক ইব'লা ভাইৰাচত আক্ৰান্ত হোৱা নাই বুলি স্পষ্ট কৰি দিছে। মন্ত্ৰালয়ে লগতে এই ভাইৰাচৰ সৈতে যুঁজিবলৈ কেন্দ্ৰীয় চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে। দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক এই সন্দৰ্ভত সতৰ্কতা অৱলম্বন কৰিবলৈ নিৰ্দেশ দিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ সচিব পূণ্য সলীল শ্ৰীবাস্তৱৰ অধ্যক্ষতাত পৰহি নতুন দিল্লীত অনুষ্ঠিত এখন উচ্চস্তৰীয় বৈঠকত ইব'লা সম্পৰ্কীয় স্থিতি আৰু ইয়াৰ প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ পৰ্যালোচনা কৰা হয়। উল্লেখযোগ্য যে আফ্ৰিকাৰ কংগো আৰু উগাণ্ডাত বৰ্তমান ই'বলা ভাইৰাচত ১৩৯ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু ৬০০ৰো অধিক লোক চিকিৎসাধিন হৈ আছে। ইপিনে বিশ্ব স্বাস্থ্য সংস্থাই ইব'লা ভাইৰাচৰ সংক্ৰমণ কংগো আৰু উগাণ্ডাৰ আশে-পাশে থকা দেশবোৰলৈহে বিয়পাৰ সম্ভাৱনা বেছি আৰু গোটেই বিশ্বত ইয়াৰ প্ৰভাৱ পৰাৰ সম্ভাৱনা তেনেই কম বুলি প্ৰকাশ কৰিছে।

০০০০০০০

ৰাজ্যৰ পৰিবহণ আন্তঃগাঁথনিত নৱতম সংযোজন হিচাপে আজি গুৱাহাটীৰ লালগণেশত ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জী উৰণ সেতু উদ্বোধন কৰা হ'ব। সন্ধিয়া ৬ বজাত আয়োজিত উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, নৱনিৰ্বাচিত বিধায়ক প্ৰদ্যুৎ বৰদলৈ, বিজয় কুমাৰ গুপ্তা, দিপ্লু ৰঞ্জন শৰ্মা, ডঃ তপন দাস আৰু গুৱাহাটী পৌৰ

নিগমৰ মেয়ৰ মৃগেন শৰণীয়া উপস্থিত থাকিব। ২ দশমিক ৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই উৰণসেঁতুখন ৩৭৬ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে।

০০০০০০০

ৰাজ্যত প্ৰশাসনে অত্যাৰশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে গোলাঘাট জিলা প্ৰশাসনে কালি গোলাঘাট নগৰৰ বিভিন্ন বজাৰত অভিযান চলায়। যোগান বিভাগৰ নেতৃত্বত কৃষি, মীন আৰু পশুপালন বিভাগৰ বিষয়াৰে গঠিত বিশেষ গোটে গোলাঘাটৰ চকবজাৰ আৰু বাছষ্টেণ্ড এলেকাত অভিযান চলাই আৰু বজাৰৰ পৰিস্থিতি পৰ্যৱেক্ষণ কৰে। জিলা আয়ুক্ত পূবালী গোঁহাইৰ নিৰ্দেশ মৰ্মে চলোৱা এই অভিযানৰ জৰিয়তে বজাৰত অত্যাৰশ্যকীয় সামগ্ৰীৰ দাম সুস্থিৰ কৰি ৰখা, কলা বজাৰ প্ৰতিৰোধ কৰা আৰু গ্ৰাহকসকলক উপযুক্ত দামত সামগ্ৰী যোগান নিশ্চিত কৰাত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। প্ৰশাসনে প্ৰতিখন দোকানৰ সন্মুখত দামৰ তালিকা স্পষ্টভাৱে আৰি থবলৈ নিৰ্দেশ দিছে।

মাজুলীৰ অতিৰিক্ত জিলা আয়ুক্ত সুভ্ৰম আদিত্য বৰাৰ নেতৃত্বত গঠিত কৰ্মবাহিনীৰ এটা দলে কালি কমলাবাৰী অঞ্চলৰ পাইকাৰী আৰু খুচুৰা বজাৰ আকস্মিকভাৱে পৰিদৰ্শন কৰে। দলটোৱে মজুত ৰখা সামগ্ৰী পৰিমাণ, মূল্যসূচী তালিকা, বাণিজ্যিক অনুজ্ঞাপত্ৰ আদি পৰীক্ষা কৰাৰ লগতে ব্যৱসায়ীসকলক প্ৰতিদিনে মূল্য তালিকা প্ৰদৰ্শন কৰিবলৈ আৰু বেচা-কিনাৰ সঠিক ৰচিদ নিয়ন্ত্ৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। পৰিদৰ্শনকালত ব্যৱসায়ীসকলক নিৰ্ধাৰিত সময়ৰ ভিতৰত সকলো চৰকাৰী অনুজ্ঞাপত্ৰ নবীকৰণ কৰিবলৈ আহ্বান জনোৱা হয়। তদুপৰি বজাৰত মূল্য সুস্থিৰ ৰাখিবলৈ আৰু সামগ্ৰীৰ অবৈধ মজুতকৰণ বা ক'লা বজাৰৰ পৰা বিৰত থাকিবলৈ কঠোৰ সকীয়নি দিয়া হয়।

ডিব্ৰুগড়তো অ্যাৰশ্যকীয় সামগ্ৰীৰ দাম নিৰীক্ষণ আৰু বজাৰ ব্যৱস্থাপনা শক্তিশালী কৰাৰ উদ্দেশ্যে পৰহি জিলা পৰ্যায়ত কাৰ্যবাহী এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ বজাৰ মূল্য, যোগান ব্যৱস্থা আৰু উপলব্ধতাৰ শেহতীয়া পৰিস্থিতিৰ পৰ্যালোচনা কৰা হয়।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত **সমাজ জীৱনত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ** সম্পৰ্কীয় এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব বিষয়বস্তুৰ বিশেষজ্ঞ ইন্দ্ৰনীল তালুকদাৰ আৰু কাব্যনীল তালুকদাৰে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টি ৰাণী ডেকাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে চেন্নাই ছুপাৰ কিংছক ৮৯ ৰানত পৰাস্ত কৰে।

০০০০০০০

**সমাপ্ত**